# আনন্দৰাম বৰুৱা

**পাঠ:৩**

## ‘ ক ’ পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়াকলাপ :**

**১। পাঠটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িবলৈ ছাত্ৰ – ছাত্ৰীসকলে অভ্যাস কৰিব ।**

**প্ৰশ্ন ২। উত্তৰ দিয়া**

**( ক ) আনন্দৰাম বৰুৱাৰ জন্ম কত হৈছিল ?**

উত্তৰঃ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত ১৮৫০ চনৰ ২১ মে তাৰিখে আনন্দম বৰুৱাৰ জন্ম হৈছিল ।

**( খ ) তেওঁৰ পিতৃ – মাতৃৰ নাম কি আছিল ?**

উত্তৰঃ তেওঁৰ পিতৃৰ নাম গৰ্গৰাম বৰুৱা আৰু মাতৃৰ নাম দুৰ্লভেশ্বৰী বৰুৱানী আছিল ।

**( গ ) আনন্দৰাম বৰুৱাই কলকাতাৰ কোন কলেজত নামভৰ্তি কৰিছিল ?**

উত্তৰঃ আনন্দৰাম বৰুৱাই কলকাতা প্ৰেচিডেন্সি কলেজত নামভৰ্তি কৰিছিল ।

**( ঘ ) “ আনন্দৰাম বৰুৱা ভাষা-কলা – সংস্কৃতি সংস্থা ” কিয় প্ৰতিষ্ঠা কৰিছিল?**

উত্তৰঃ পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাৰ স্মৃতি ৰক্ষাৰ বাবে ১৯৮৯ চনত অসম চৰকাৰে “ আনন্দৰাম বৰুৱা ভাষা – কলা – সংস্কৃতি সংস্থা প্ৰতিষ্ঠা কৰিছিল । ইয়াৰ ইংৰাজী নামটো হ’ল – Anundoram Borooah Institute of Language . Art and Culture , Assam , চমুকৈ ABILAC বুলি জনা যায় ।

**প্ৰশ্ন ৩। ABILAC ৰ সম্পূৰ্ণ নামটো ইংৰাজী আৰু অসমীয়াত লিখা ।**

উত্তৰঃ ABILAC- ৰ সম্পূৰ্ণ নামটো ইংৰাজীত হ'ল— Anundoram Borooah Institute of Language , Art and Culture , Assam . অসমীয়াত হ'ল— “ আনন্দৰাম বৰুৱা ভাষা – কলা – সংস্কৃতি সংস্থা ” ।

**প্ৰশ্ন ৪। তলত নাম লিখা পুথিসমূহৰ পৰা আনন্দৰাম বৰুৱাই ৰচনা কৰা পুথিসমূহ । বাছি উলিয়াই লিখা ।**

- **কৌটিল্যৰ অৰ্থশাস্ত্ৰ ।**
- **উচ্চ সংস্কৃত ব্যাকৰণ ।**
- **প্ৰাচীন ভাৰতৰ ভূগাোল ।**
- **সৰস্বতী কণ্ঠাহৰণ ।**
- **ভৱভূতিৰ মহাবীৰ চৰিত ।**
- **ভাগৱতৰ দশম স্কন্ধ ।**
- **ইংৰাজী – সংস্কৃত অভিধান ।**
- **সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ ।**
- **মহাভাৰত ।**
- **সংস্কৃত শিক্ষাৰ্থী সহচৰ ।**

উত্তৰঃ আনন্দৰাম বৰুৱাই ৰচনা কৰা পুথিসমূহ হ'ল—

( ১ ) প্ৰাচীন ভাৰতৰ ভূগাোল ।

( ২ ) ভৱভূতিৰ মহাবীৰ চৰিত ।

( ৩ ) ইংৰাজী – সংস্কৃত অভিধান ।

( ৪ ) উচ্চ সংস্কৃত ব্যাকৰণ ।

( ৫ ) সৰস্বতী কণ্ঠাহৰণ ।

( ৬ ) সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ ।

( ৭ ) সংস্কৃত শিক্ষাৰ্থীসহচৰ ।

**প্ৰশ্ন ৫। আনন্দৰাম বৰুৱাই আই . চি . এছ্ . পৰীক্ষাত উত্তীৰ্ণ হােৱাৰ পিছত বিলাতত হােৱা বয়সৰ বিতৰ্কত মি . গ্ৰেন্ট ডাফে দিয়া মন্তব্যটি লিখা ।**

উত্তৰঃ আই , ছি . এছ . পৰীক্ষাত উত্তীৰ্ণ বুলি ঘােষণা কৰাৰ বাবে বয়সৰ প্ৰয়ােজন আনন্দৰামৰ সেই বয়স হােৱা নাছিল । সেইহেতু পাৰ্লিয়ামেণ্টত তুমুল বিতৰ্ক সৃষ্টি হােৱাত মি . গ্ৰেন্ট ডাফে এই মন্তব্যৰে বিতৰ্কৰ মােখনি মাৰিছিল— “ আমি এই সিদ্ধান্তত উপনীত হওঁতে আই , ছি , এছ , পৰীক্ষাৰ নিয়মাৱলীৰ ভিতৰুৱা উদ্দেশ্যলৈহে কাণ দিছে । যিজন ছাত্ৰই সুদূৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা আহি ইমান প্ৰতিযােগীৰ মাজতাে সুখ্যাতিৰে এই পৰীক্ষাত উত্তীৰ্ণ হ’ব পাৰিছে তেওঁৰ আকাংক্ষাৰ বাটত আমি একো প্ৰতিবন্ধকতা জন্মাবৰ ইচ্ছা নকৰোঁ ।

**প্ৰশ্ন ৬। আনন্দৰাম বৰুৱাৰ কৰ্মজীৱনৰ বিষয়ে কেইশাৰীমান বাক্য লিখা ।**

উত্তৰঃ আই , ছি , এছ , পৰীক্ষা পাছ কাৰৰ পিছত স্বদেশলৈ উভতি আহি আনন্দৰাম বৰুৱাই প্ৰথমে শিৱসাগৰ জিলাত সহকাৰী মেজিষ্ট্ৰেট হিচাপে যােগদান কৰিছিল । তাৰ পিছত মৈমনসিং জিলাৰ সহকাৰী মেজিষ্ট্ৰেট আৰু কলেক্টৰ হিচাপে চাকৰি কৰিছিল । বিভিন্ন জিলাত উচ্চপদস্থ বিষয় হিচাপে চাকৰি কৰি ১৮৮৪ চনত নােৱাখালি জিলাৰ মেজিষ্ট্ৰেট নিযুক্ত হৈছিল । সেই সময়ত তেওঁ বংগদেশৰ ভালেমান উন্নয়নমূলক কাম কৰিছিল ।

**প্ৰশ্ন ৭। ‘ ক ‘ অংশত থকা শব্দৰ লগত ‘ খ ’ অংশত থকা অৰ্থবােৰ আঁচ টানি মিলােৱা ।**

উত্তৰঃ

| ‘ ক ’ অংশ | ‘ খ ’ অংশ |
|---|---|

| | |
|---|---|
| অধ্যৱসায় | নেৰানেপেৰাকৈ লাগি থকা কাৰ্য । |
| মন্থন | মথা বা ঘা◌েটা কাৰ্য । |
| সুখ্যাতি | সুনাম , যশস্যা । |
| জাকতজিলিকা | অতি শুৱনি , বহুতৰ মাজত চকুত লকা । |
| অৱদান | বৰঙণি বা অৰিহণা । |
| সংকল্প | কোনা◌ে কাম কৰিবলৈ দৃঢ় ইচ্ছা । |
| অপ্রত্যাশিত | আশা নকৰা । |
| প্রতিযোগী | প্রতিদ্বন্দ্বী । |
| নিযুক্ত | কামত লগা◌েৱা , কামত নিয়া◌েগ কৰা । |
| মনীষী | জ্ঞানী |

***‘খ’ ভাষা ( ব্যৱহাৰিক ব্যাকৰণ)***

**কাল কাক বোলে ? ই কেই প্রকাৰৰ আৰু কি কি? প্রত্যেকেৰে চমুকৈ লিখা ।**

উত্তৰঃ ক্রিয়াৰ সময়কে কাল বা◌েলে । কাল প্রধানকৈ তিনিবিধ –বৰ্তমান কাল , অতীত কাল আৰু ভৱিষ্যৎ কাল ।

**বৰ্তমান কাল :** মই পঢ়িছোঁ— অৰ্থাৎ মই বৰ্তমান পঢ়ি আছোঁ । গতিকে পঢ়িছোঁ ক্রিয়াটো বৰ্তমান কালৰ ক্রিয়া ।

**অতীত কাল :** মই পঢ়িছিলোঁ — অৰ্থাৎ যা◌েৱা কোনা◌েবা সময় বা কালত পঢ়া কাম কৰিছিলোঁ । গতিকে ‘ পঢ়িছিলোঁ’ অতীত কালৰ ক্রিয়া ।

**ভৱিষ্যৎকাল :** মই পঢ়িম — অৰ্থাৎ ভৱিষ্যতৰ কোনা◌েবা সময় বা কালত পঢ়া কাম কৰিম । গতিকে ‘পঢ়িম’ ভৱিষ্যৎ কালৰ ক্রিয়া ।

**সেইদৰে তলৰ বাক্যকেইটালৈ মন কৰা :**

১। আনন্দৰাম বৰুৱা সংস্কৃতৰ অগাধ পণ্ডিত আছিল ।

২। তেখেতে আই চি এছ পৰীক্ষাত সপ্তম স্থান লাভ কৰিছিল ।

৩। আনন্দৰাম বৰুৱাই লণ্ডনত বেবিষ্টাৰী পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল ।

বাক্যকেইটাত ‘আছিল’, ‘কৰিছিল’, ‘হৈছিল’ — আদি ক্ৰিয়া পদবোৰে বহুদিনৰ আগতে কৰা বা হাোৱা কাৰ্যৰ কথা প্ৰকাশ কৰিছে ; অৰ্থাৎ অতীতৰ কামৰ কথা বুজাইছে । সেয়ে এইবাোৰ ক্ৰিয়াৰ সময়কে অতীত কাল বাোলে । সেইদৰে যিটো ক্ৰিয়াই বৰ্তমান কৰি থকা বুজায় তাক বৰ্তমান কাল আৰু আগলৈ কামটো কৰা বুজালে ভৱিষ্যৎ কাল বাোলে ।

**প্ৰশ্নোত্তৰ ৮। প্ৰশ্নত কোৱামতে ছাত্ৰ – ছাত্ৰীয়ে যত্ন কৰিব । প্ৰয়াোজন হলে শিক্ষক মহাশয়ৰ সহায় ল’ব ।**

**প্ৰশ্ন ৯। খালী ঠাই পূৰ কৰা**

**( ক ) কালি মই গুৱাহাটীলৈ ...............**

**( খ ) কাইলৈ আমাৰ ঘৰলৈ ৰমেন................**

**( গ ) ল’ৰা বিলাকে খেলপথাৰত বল ...............**

উত্তৰঃ ( ক ) কালি মই গুৱাহাটীলৈ গৈছিলোঁ । ( অতীত কাল )

( খ ) কাইলৈ আমাৰ ঘৰলৈ ৰমেন আহিব । ( ভৱিষ্যৎ কাল )

( গ ) ল’ৰা বিলাকে খেলপথাৰত বল খেলিছে । ( বৰ্তমান কাল )

**প্ৰশ্ন ১০। পাঠৰ পৰা বিশেষ্য , বিশেষণ আৰু ক্ৰিয়াপদ বিচাৰি উলিয়াই বহীত লিখা ।**

উত্তৰঃ ছাত্ৰ – ছাত্ৰীসকলে নিজেই চেষ্টা কৰি লিখিব । প্ৰয়াোজন হলে শিক্ষক মহাশয়ৰ সহায় ল’ব । )

## *‘ গ ’ জ্ঞান সম্প্ৰসাৰণ*

**প্ৰশ্ন ১১। ভাব বহলাই লিখা :**

**‘চেষ্টাৰ অসাধ্য একো নাই ।’**

উত্তৰঃ কোনাে কামত কৃতকাৰ্যতা লাভ কৰাৰ বাবে চেষ্টা বা যত্নৰ প্ৰয়াােজন । চেষ্টা নকৰাকৈ একো কাম কৰিব নাোৰাৰি । দুখ কৰিলে মুখ ভৰে’বুলি এষাৰ কথা আছে । এই ‘দুখ কৰা মানে যত্ন বা চেষ্টা কৰা আৰু মুখ ভৰা ’ মানে সফল বা কৃতকাৰ্য হাােৱা । পৃথিৱীত যিসকল পুৰুষে নিজৰ নাম চিৰকাললৈ জিলিকাই থৈ গৈছে , সেইসকলে জীৱনত চেষ্টা , যত্ন , দুখ বা পৰিশ্ৰম কৰি গৈছে । পণ্ডিত আনন্দৰাম বৰুৱাই নিজৰ চেষ্টাৰ ফলত মুল প্ৰতিযাােগিতামূলক আই . ছি , এছ , পৰীক্ষাত আনকি প্ৰয়াােজনীয় ন্যূনতম বয়স নৌহওঁতেই ৭ ম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল । পৃথিৱীত হাােৱা ডাঙৰ কাম , আৱিষ্কাৰ আদিও চেষ্টাৰ ফলতেই হৈছিল । আমেৰিকা আৱিষ্কাৰ কৰা কলম্বাচৰ লগৰীয়া নাবিকসকল হতাশ হৈ উভতি আহিব খাােজাতাে কলম্বাছে যত্ন কৰি আৰু দুদিন আগলৈ জাহাজ চলাােৱাৰ বাবে নাবিকসকলক সৈমান কৰি চেষ্টা কৰাৰ ফলতেই আমেৰিকা আৱিষ্কাৰ হৈছিল । সেয়ে সৰু – বৰ সকলাে কামতে একান্ত চেষ্টাৰ প্ৰয়াােজন । চেষ্টা কৰিলে সকলাে কামেই সাধ্যৰ ভিতৰত আহি পৰে ।

**প্ৰশ্ন ১২। কিছুমান লাােকে ভালদৰে পঢ়া – শুনা কৰি , ভাল কাম কৰি নিজৰ বংশৰ লগতে দেশৰ নামাে উজ্জ্বল কৰে । তুমি নিজে তেনে এজন ব্যক্তি হ’বলৈ কি কৰিবা লিখা ।**

উত্তৰঃ নিজৰ বংশৰ লগতে দেশৰ নাম উজ্জ্বল কৰিবলৈ ময়াে সৰুৰে পৰা দৃঢ় প্ৰতিজ্ঞ হম । বয়স আৰু শিক্ষা কম কাৰণে এতিয়াও ভাল – বেয়া বহুত কথা জনা হাােৱা নাই । গতিকে ভাল সৎ ব্যক্তিৰ আদৰ্শত চলিবলৈ যত্ন কৰিম । – পিতৃ – মাতৃ , শিক্ষক গুৰুজন , জ্যেষ্ঠজনৰ কথা শুনি , মহৎ লাােকৰ জীৱনী পঢ়ি তেনে গুণ আহৰণ কৰিবলৈ চেষ্টা কৰিম। সৰুৰে পৰা পঢ়াত অতি মনাােযাােগী হলে শিক্ষা ল’ব পাৰি । মই পঢ়াত অতি মনাােযাােগী হম আৰু এজন ভাল , সৎ মানুহ হ’বলৈ সদায় যত্ন কৰিম । সৎ বন্ধুৰ সংগ লম । মানুহৰ প্ৰতি সন্তান আৰু মৰম কৰিবলৈ শিকিম । নিজৰ দেশক , সমাজক ভাল পাবলৈ শিকিম । কেতিয়াও স্বাৰ্থপৰ নহবলৈ যত্ন কৰিম । এনেবাােৰ গুণৰ অধিকাৰী হ’ব পাৰিলে ময়াে নিজৰ বংশৰ লগতে দেশৰ নাম উজলাব পাৰিম বুলি মাােৰ । বিশ্বাস আছে ।

## ‘ ঘ ’ প্ৰকল্প

**প্ৰশ্ন ১৩। পাঠ্যপুথিত উল্লেখ কৰা মতে ছাত্ৰ – ছাত্ৰীসকলে চেষ্টা কৰিব । প্ৰয়াোজন হলে শিক্ষকৰ সহায় ল’ব ।**

**প্ৰশ্ন ১৪। ভৱিষ্যতে কোনে কি হ’বলৈ বিচৰা আৰু কিয় হব বিচৰা সেই বিষয়ে লিখা ।**

উত্তৰঃ প্ৰথম কথা , ভৱিষ্যতে মই এজন ভাল মানুহ হ’ব বিচাৰোঁ । ভাল মানুহ হাোৱাৰ উপৰি কৰ্মময় জীৱনত মই এজন ডাক্তৰ হ’ব বিচাৰোঁ । মানৱ সেৱাৰ মনাোভাব এটা সদায় মই পুহি ৰাখিছোঁ । অনেক দুখীয়া , গৰীৱ ৰুগীয়া লাোকে ধনৰ অভাৱত চিকিৎসা কৰাব নাোৱাৰি দুখ লগা অৱস্থাত বেয়াকৈ একালতে মৰিব লগা হাোৱাটো মই সৰুৰে পৰা দেখি আহিছোঁ । এনে অৱস্থা হয় ঘাইকৈ গাঁও অঞ্চলত । সেয়ে মই কঠোৰ শ্ৰম কৰি পঢ়া – শুনা কৰিম যাতে নিষ্ঠাৰে এই বিদ্যা অধ্যয়ন কৰিম । আঁতি – গুৰি মাৰি বেমাৰ আৰু ঔষধ সম্পৰ্কীয় কথাবাোৰ শিকি ল’ম যাতে ভৱিষ্যতে চিকিৎসাৰ ক্ষেত্ৰত মাোৰ কেতিয়াও ভুল নহয় ।

মানুহেকয় ৰাোগীৰ কাৰণে ডাক্তৰসকল ভগৱান স্বৰূপ।মই ভগৱান হ’ব নাোৱাৰোঁ ; কিন্তু ৰাোগীসকলৰ সহায়কাৰী বন্ধু হ’ব পাৰো । ৰাোগীক শুশ্ৰুষা কৰাটো অন্যতম সহায় । মানৱ সেৱা চিকিৎসাত ৰাোগীজন ভাল হৈ উঠিলে ডাক্তৰৰ ইয়াত ডাঙৰ আত্মতৃপ্তি একো নাই । এই সেৱাত দুটা লাভ হয় — প্ৰথম ৰোগীয়ে আৰাোগ্য লাভ কৰে , আৰু দ্বিতীয়তে ডাক্তৰেও জীৱন নিৰ্বাহ কৰিবলৈ সামান্য হলেও আৰ্থিক লাভ কৰে ।